**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-01-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::::::

১। সমগ্ৰ বিশ্বই ভাৰতৰ প্ৰতি আশা আৰু ইতিবাচক দৃষ্টিভংগী পোষণ কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ আজি ছদিনীয়া ভ্ৰমণসূচীৰে ফ্ৰান্সত উপস্থিত হয়।

৩। জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে আজি নতুন দিল্লীত তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

৪। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰীৰ ভাষণ সংকলন **খুতবাত -এ-মোদী—লালকিল্লা কী ফচীল চে** শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে। ***আৰু***

৫। চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিটা ত্ৰিমাসিকত ভাৰতীয় ৰে'ল বিভাগে মুলধনী ব্যয়ৰ ৮০ শতাংশতকৈও অধিক ব্যৱহাৰ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ বিশ্বই ভাৰতলৈ আশা আৰু ইতিবাচক দৃষ্টিভংগীৰে বাট চোৱা আৰু দেশৰ উদ্ভাৱনী শক্তিৰে সমৃদ্ধ নতুন প্ৰজন্মৰ ওপৰত বিনিয়োগ কৰিবলৈ ইচ্ছুক বুলি মন্তব্য কৰিছে। লগতে বিগত এহেজাৰ বছৰ ধৰি সোমনাথ মন্দিৰৰ অৱস্থিতিয়ে দেশৰ সভ্যতা-সংস্কৃতি অতুলনীয় হোৱাৰ কথাটোকে প্ৰতীয়মান কৰে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

১০২৬ খ্ৰীষ্টাব্দত গজনি মাহমুদে গুজৰাটৰ সোমনাথ মন্দিৰত চলোৱা নৃশংস আক্ৰমনৰ এহেজাৰ বছৰ পূৰ্ণ হোৱা উপলক্ষে লিখা এটা প্ৰৱন্ধত এই কথা প্ৰকাশ কৰি তেওঁ কয় যে বিস্তৰ প্ৰতিকুলতা আৰু শত্ৰুৰ বাৰম্বাৰ আক্ৰমণৰ পাছতো এই মন্দিৰ সগৰ্বে থিয় হৈ থকাটোৱে সভ্যতা সংস্কৃতিৰ অতুলনীয় শক্তিৰ কথাকে প্ৰমাণ কৰে।

সোমনাথ মন্দিৰৰ পুনৰুদ্ধাৰৰ বাবে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টা আৰু পদক্ষেপৰ শলাগ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ২০২৬ চনত আৰু কেতবোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজাৰটৰ সোমনাথ মন্দিৰ দৰ্শন কৰিব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ আজি ছদিনীয়া ভ্ৰমণসূচীৰে ফ্ৰান্সত উপস্থিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে ড° জয়শংকৰে ভ্ৰমণৰ প্ৰথম দিনতে পেৰিছত চি ক্বী চে ট্ৰামে - ভাৰত আৰু ফ্ৰান্সৰ মাজৰ গাথা শীৰ্ষক এখন প্ৰদৰ্শনীলৈ যোৱাৰ কথা প্ৰকাশ কৰে। তেওঁ কয় যে এই প্ৰদৰ্শনীয়ে ভাৰতৰ বস্ত্ৰ ঐতিহ্য আৰু সৃজনীশীলতাক প্ৰতিফলিত কৰাৰ লগতে দুয়োখন দেশৰ মাজত থকা শক্তিশালী সাংস্কৃতিক বান্ধোনৰ কথাও

সোৰৰাই দিছে। উল্লেখযোগ্য যে এই ভ্ৰমণকালত ড° জয়শংকৰে পেৰিছত ফ্ৰান্সৰ নেতৃস্থানীয় লোকসকলক দেখা কৰাৰ লগতে ফ্ৰান্সৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী জ্যাঁ নৱেল বেৰটৰ সৈতে বৈঠকত মিলিত হ'ব। দুয়োগৰাকী মন্ত্ৰীয়ে ভাৰত - ফ্ৰান্স কৌশলগত অংশীদাৰিত্বৰ  অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰিব। ড° জয়শংকৰে লগতে ফ্ৰান্সৰ ৰাষ্ট্ৰদূতসকলৰ সন্মিলনৰ ৩১ সংখ্যক সংস্কৰণত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত মন্ত্ৰীগৰাকী লাকজেমবাৰ্গলৈ যাব আৰু লাকজেমবাৰ্গৰ উপ প্ৰধানমন্ত্ৰী আৰু বিদেশ মন্ত্ৰী জেভিয়াৰ বেটেলৰ সৈতে বৈঠকত মিলিত হ'ব। লাকজেমবাৰ্গত থকা ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতেও ড° জয়শংকৰে কথোপকথন কৰিব।

০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে আজি নতুন দিল্লীত তেল আৰু প্ৰাকৃতিক গেছ্ নিগমৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। একলব্য আদৰ্শ আৱাসিক বিদ্যালয়সমূহৰ কৰ্পৰেট সামাজিক দায়বদ্ধতাৰ জৰিয়তে সমৰ্থিত আন্তঃগাথনিৰ বিকাশ তথা সক্ষমতা নিৰ্মাণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই বুজাবুজি চুক্তি স্বাক্ষৰ কৰা হৈছে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি জনজাতি পৰিক্ৰমা সচিব ৰঞ্জনা চোপ্ৰাই কয় যে, এই চুক্তিৰ জৰিয়তে অ' এন জি চিয়ে জনজাতীয় সম্প্ৰদায়সমূহৰ শিশুসকললৈ গুণগত শিক্ষা আগবঢ়োৱাৰ উদ্দেশ্যে একলব্য আদৰ্শ আৱাসিক বিদ্যালয়সমূহৰ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্য আগত ৰাখি ২৮ কোটি টকা বৰঙণি দিয়াৰ প্ৰতিশ্ৰুতি দিছে। এই ধনৰাশি জনজাতীয় শিক্ষাৰ্থীসকলৰ বিভিন্ন ক্ষেত্ৰৰ বিকাশৰ বাবে ব্যৱহাৰ কৰা হ'ব।

০০০০

অপাৰেশ্যন সিন্দুৰৰ সময়ছোৱাত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে প্ৰশংসনীয় ভূমিকা পালন কৰা বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে। নতুন দিল্লীত ২০২৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ গণৰাজ্য দিৱস কুচকাৱাজ শিবিৰত আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁ এই কথা প্ৰকাশ কৰে। অপাৰেশ্যন সিন্দুৰৰ সাফল্যক আলোকপাত কৰি শ্ৰীৰাধাকৃষ্ণণে কয় যে এই অভিযানৰ জৰিয়তে দেশবাসী তথা দেশৰ সন্মান আৰু সাৰ্বভৌমত্ব সুৰক্ষিত কৰি ৰখাত দেশৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে। তেওঁ কয় যে একতা আৰু নিয়মানুবৰ্তিতাৰ দৃষ্টিভংগীৰে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে অবিৰতভাৱে দায়িত্বশীল আৰু দেশপ্ৰেমী নাগৰিকৰ প্ৰজন্মসমূহ গঢ় দি আহিছে। কেৰালাৰ ৱায়নাডত হোৱা বানৰ সময়ত বাহিনীটোৱে আগবঢ়োৱা সেৱাৰো তেওঁ ভূয়সী প্ৰশংসা কৰে। প্ৰাকৃতিক দুৰ্যোগত সাহায্য আগবঢ়োৱা, যুৱ চামৰ ভাৱ-বিনিময় অনুষ্ঠান, দুঃসাহসিক ক্ৰীড়া তথা পৰ্বতাৰোহণৰ দৰে ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ভূমিকাৰ তেওঁ শলাগ লয়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে চাইবাৰ আৰু ড্ৰোণ প্ৰযুক্তিৰ দৰে শেহতীয়া খণ্ডসমূহতো ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে লেখত ল'বলগীয়া অৰিহণা আগবঢ়াইছে।

০০০০

জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ অধ্যক্ষতাত আজি নতুন দিল্লীত শক্তিশালী কাৰ্য গোটৰ সপ্তদশ বৈঠক অনুষ্ঠিত হয়। বৈঠকত নমামী গংগে কাৰ্যসূচীৰ অধীনত ৰূপৰেখা গঠন তথা পৰ্যাবেক্ষণৰ ব্যৱস্থা আৰু তথ্য ভিত্তিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া শক্তিশালী কৰা সন্দৰ্ভত আলোকপাত কৰা হয়। তদুপৰি বৈঠকত সুপৰিকল্পিত নিষ্কাষণ ব্যৱস্থা তথা ইয়াৰ আন্তঃগাথনি সন্দৰ্ভতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। চলিত কেলেণ্ডাৰ বৰ্ষত ১৫ টা প্ৰদূষণ নিয়ন্ত্ৰণ আন্তঃগাথনি প্ৰকল্পৰ সম্পূৰ্ণ হোৱাৰ বিষয়েও তেওঁ উল্লেখ কৰে।

০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি নতুন দিল্লীত **খুতবাত -এ-মোদী–লালকিল্লা কী ফচীল চে** শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীপ্ৰধানে প্ৰকাশ কৰা অনুসৰি এই গ্ৰন্থখনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ ৰ পৰা ২০২৫ চনলৈকে স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণসমূহ সন্নিবিষ্ট কৰা হৈছে। শ্ৰীপ্ৰধানে লগতে কয় যে এই ভাষণ সমূহে সবকা সাথ সবকা বিকাশ আৰু সবকা প্ৰয়াসৰ আদৰ্শেৰে নিজৰ কৰ্মজীৱনক উজ্জীৱিত কৰা শ্ৰীমোদীৰ অবিৰত প্ৰচেষ্টাকে প্ৰতিফলিত কৰে। অন্ত্যোদয়, স্বচ্ছ ভাৰতৰ দৰে ৰাষ্ট্ৰীয় স্বাৰ্থৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা আন বহুকেইটা বিষয়ৰ ওপৰত এই গ্ৰন্থখনত আলোকপাত কৰা হৈছে। উল্লেখযোগ্য যে এই গ্ৰন্থখন হৈছে প্ৰধানমন্ত্ৰীৰ ভাষণসমূহৰ উৰ্দু ভাষালৈ অনুবাদিত ৰূপৰ সংকলন আৰু উৰ্দু ভাষাৰ প্ৰসাৰৰ বাবে থকা ৰাষ্ট্ৰীয় পৰিষদে এই গ্ৰন্থখন প্ৰকাশ কৰিছে।

০০০০

কৃষ্ণা-গোদাবৰী অৱবাহিকাৰ অন্ধ্ৰপ্ৰদেশৰ ড° বি আৰ আম্বেদকাৰ ক'নাচিমা জিলাৰ ইৰুছুমন্দা গাঁৱৰ অ' এন জি চি ম'ৰি-৫ নম্বৰ খাদত আজি গেছ নিৰ্গমনৰ ঘটনা পোহৰলৈ আহিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে ঘটনাৰ সবিশেষ বুজ লোৱাৰ লগতে মন্ত্ৰী কে আছান্নাইডু আৰু বি সুভাষ তথা জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এই সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে গাঁৱবাসীৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়াৰ লগতে অবাঞ্চিত পৰিস্থিতিৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে জনসাধাৰণক সুৰক্ষিত স্থানলৈ লৈ যোৱাৰ ব্যৱস্থা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে যথাশীঘ্ৰে অগ্নি নিৰ্বাপনৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকললৈ আহ্বান জনায়।

০০০০

ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে বিগত ১১ বছৰত দেশত বৈদ্যুতিক সামগ্ৰীৰ উৎপাদন ৬ গুণ আৰু ৰপ্তানি ৮ গুণ বৃদ্ধি হৈছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীবৈষ্ণৱে কয় যে বিগত বৰ্ষত এপ্‌লে ৫ হাজাৰ কোটি আমেৰিকান ডলাৰ মূল্যৰ মোবাইল ফোন ৰপ্তানি কৰিছে। তেওঁ কয় যে ইয়াৰ জৰিয়তে ৰপ্তানিৰ শীৰ্ষ তিনিটা স্থানৰ ভিতৰত বৈদ্যুতিক সামগ্ৰী অন্তৰ্ভুক্ত হৈছে। চলিত বৰ্ষত চাৰিটা ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ অধীনত বাণিজ্যিক উৎপাদন আৰম্ভ হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। বৈদ্যুতিক সামগ্ৰী নিৰ্মাণ খণ্ডত সম্প্ৰতি ২৫ লাখ নিয়োগৰ সুবিধা আছে বুলি প্ৰকাশ কৰি তেওঁ কয় যে বহুসংখ্যক কাৰখানাৰ জৰিয়তে একো একোটা স্থানত ৫ হাজাৰতকৈ অধিক লোকৰ নিয়োগৰ সুবিধা গঢ়ি উঠিছে।

০০০০

দিল্লীৰ উপ ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনাই কৈছে যে দিল্লী চৰকাৰে ই-প্ৰশাসন ব্যৱস্থাৰ অধীনত বিভিন্ন বিভাগত নাগৰিকৰ সুবিধা হোৱাকৈ ৭৫ টা ডিজিটেল সেৱা আৰম্ভ কৰিছে। আজি দিল্লী বিধানসভাৰ শীতকালীন অধিৱেশনৰ আৰম্ভণি ভাষণত শ্ৰীচাক্সেনাই এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে চৰকাৰে ইজ অব্ ডুয়িং বিজনেছ বা ব্যৱসায়ৰ সুচলতাৰ বাবে গ্ৰহণ কৰা পদ্ধতিৰ অধীনত ব্যৱসায়ৰ পদ্ধতিসমূহ সৰল কৰি তোলা হৈছে। দিল্লীৰ সকলো চৰকাৰী কাৰ্যালয় ডিজিটাইজ কৰিবলৈ চৰকাৰে ই-কাৰ্যালয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ইয়াৰ ফলত প্ৰশাসন ব্যৱস্থা নিকা আৰু সহজলভ্য হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয়, যে চৰকাৰে আন্তঃগাঁথনি শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত উন্নয়ন সাধনৰ বাবে ১ লাখ কোটি টকাৰ আবণ্টন দিছে। তেওঁৰ ভাষণত শ্ৰীচাক্সেনাই

স্বাস্থ্য খণ্ডত লাভ কৰা অগ্ৰগতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে দেশৰ ৰাজধানী চহৰখনত আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত ছয় লাখৰো অধিক আয়ুষ্মান কাৰ্ড জাৰি কৰা হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ